**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-01-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

***--------------------***

১। সমগ্ৰ দেশতে ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ পূৰ্ণ প্ৰস্তুতি। খানাপাৰাৰ খেলপথাৰত তিনিতৰপীয়া নিৰাপত্তা ব্যৱস্থা। দিল্লীত আজি গণৰাজ্য দিৱসৰ কুচ-কাৱাজৰ আখৰা।

২। নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৮ সংখ্যক জন্মবাৰ্ষিকীত দেশজুৰি পৰাক্ৰম দিৱস পালন। ৰাজ্যৰ বিভিন্ন স্থানতো নেতাজীক স্মৰণ।

৩। এডভাণ্টেজ আছাম সন্মিলনৰ দ্বিতীয় সংস্কৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জাপানৰ ১৬০ গৰাকী বিশিষ্ট ব্যৱসায়ীক সাক্ষাৎ। হায়দৰাবাদত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ প্ৰচাৰ।

৪। প্ৰয়াগৰাজৰ মহাকুম্ভ মেলাত কালিৰেপৰা সাদিনীয়া অখণ্ড ভাগৱত পাঠ। ***আৰু***

৫। কলকাতাত কালি অনুষ্ঠিত পাঁচখনীয়া টী-টুৱেণ্টী ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ইংলেণ্ডৰ বিৰুদ্ধে ৭ উইকেটত ভাৰতৰ জয়লাভ।

০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানতো গণৰাজ্য দিৱসৰ প্ৰস্তুতি অব্যাহত আছে। ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ সময়ছোৱাত যাতে কোনোধৰণৰ কূটাঘাতমূলক ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে। খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উত্তোলন কৰিব। ইয়াৰ বাবে ইতিমধ্যে খানাপাৰা খেলপথাৰত তিনিতৰপীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। সমগ্ৰ খেলপথাৰখন সামৰি ল'ব পৰাকৈ চিচিটিভি কেমেৰা স্থাপন কৰা হৈছে। খানাপাৰাৰ গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অৰ্ধ সামৰিক বাহিনী, আৰক্ষী, এন চি চি, স্কাউট গাইডসহ মুঠ ২৩টা দলে পেৰেডত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইবাৰ ডিব্ৰুগড়ত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। শ্ৰীভূমি জিলাতো গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতি অব্যাহত আছে। এই উপলক্ষে কালি শ্ৰীভূমি চহৰৰ চৰকাৰী উচ্চতৰ মাধ্যমিক খেলপথাৰত পেৰেডৰ অনুশীলন কৰা হয়।

ইপিনে, দিল্লীৰ কৰ্তব্যপথত আজি গণৰাজ্য দিৱসৰ কুচ-কাৱাজৰ পূৰ্ণাংগ আখৰা অনুষ্ঠিত হ'ব। এই কুচ-কাৱাজ পুৱা চাৰে ১০ বজাত বিজয় চ'কৰ পৰা আৰম্ভ হ'ব আৰু লালকিল্লাত সামৰণি পৰিব। পূৰ্ণাংগ আখৰাৰ সময়ত টী-নাইনটিন টেংক, নাগ ক্ষেপণাস্ত্ৰ প্ৰণালী আৰু পিনাকা ৰকেট প্ৰণালীৰ জৰিয়তে দেশৰ সামৰিক শক্তিৰ প্ৰদৰ্শন কৰা হ'ব। তদুপৰি সশস্ত্ৰ বাহিনীৰ ভিন ভিন দল আৰু বিভিন্ন ৰাজ্যৰ প্ৰতীকপটৰ মাধ্যমেৰে দেশৰ সাংস্কৃতিক সৰ্বাত্মকতা প্ৰদৰ্শন কৰিব। বায়ুসেনাৰ বিভিন্ন শ্ৰেণীৰ বিমান আৰু যুঁজাৰু বিমানে কৰ্তব্য পথৰ আকাশ মাৰ্গত বিভিন্ন ধৰণৰ কলা-কৌশল প্ৰদৰ্শন কৰিব। এইবেলি ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কুচ-কাৱাজত দেশৰ বৈচিত্ৰ আৰু সাংস্কৃতিক সৰ্বাত্মকতা তুলি ধৰাৰ উদ্দেশ্যে বিভিন্ন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিভিন্ন মন্ত্ৰালয়ৰ মুঠ ২৬টা প্ৰতীকপট সাজি উলিওৱা হৈছে।

০০০০০০

আসন্ন ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি শ্ৰীলংকাত থকা ভাৰতীয় উচ্চ আয়োগে কলম্বোৰ নেলুম পকুনা থিয়েটাৰত কালি বিশেষ সংগীতানুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী অংগৰাগ পাপন মহন্তই গীতেৰে দৰ্শকক মন্ত্ৰমুগ্ধ কৰে। স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত দেশখনত বাস কৰা ভালেসংখ্যক ভাৰতীয়  আৰু শ্ৰীলংকাৰ নাগৰিক উপস্থিত থাকে।

০০০০০০

নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৮ সংখ্যক জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি সমগ্ৰ দেশত আজি পৰাক্ৰম দিৱস পালন কৰা হৈছে। এই উপলক্ষে সাংস্কৃতিক মন্ত্ৰালয়ে নেতাজীৰ জন্মস্থান ওড়িশাৰ কটকত তিনিদিনীয়া উদযাপন সমাৰোহৰ আয়োজন কৰিছে। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে এই সমাৰোহ উদ্বোধন কৰিব।

অসমৰ বিভিন্ন স্থানতো নেতাজীক স্মৰণৰ বাবে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জন্মবাৰ্ষিকীত নেতাগৰাকীক ৰাজ্যবাসীৰ হৈ স্মৰণ কৰিছে। সদৌ অসম নেতাজী সুভাষ চন্দ্ৰ বসু জয়ন্তী উদযাপন সমিতিয়ে আজি পল্টনবজাৰৰ নেতাজী চ'কত জয়ন্তী উদযাপনৰ দিহা কৰিছে। পুৱা চাৰে ৯ বজাত মন্ত্ৰী পীযূষ হাজৰিকাই দেশপ্ৰেমমূলক শোভাযাত্ৰা মুকলি কৰিব। এই অনুষ্ঠানত মন্ত্ৰী কৃষ্ণেন্দু পালৰ লগতে চণ্ডীশগড়ৰ ৰাজ্যপাল ৰমেন ডেকা, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, গুৱাহাটীৰ পৌৰপতি মৃগেন শৰণীয়াই অংশগ্ৰহণ কৰিব।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অহা পহিলা ফেব্ৰুৱাৰীত মৰিগাঁও-জাগীৰোড সংযোগী পথৰ কপিলী নৈৰ ওপৰৰ নৱনিৰ্মিত পকী দলংখন উদ্বোধন কৰিব। জাগী ভকতগাঁৱত কপিলী নৈৰ ওপৰত নিৰ্মীয়মান দলংখনৰ কাম-কাজৰ বুজ লৈ কালি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই এই কথা প্ৰকাশ কৰে। তেওঁ  দলংখনৰ কামসমূহ যাতে সুচাৰুৰূপে সম্পন্ন হয়, তাৰবাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। এই দলংখনে জাগীৰোড আৰু মৰিগাঁওবাসীৰ যাতায়াত-যোগাযোগ ব্যৱস্থাৰ ক্ষেত্ৰত থকা অসুবিধাসমূহ দূৰ কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

চলিত বৰ্ষৰ দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ কালি সামৰণি পৰে।  গুণোৎসৱৰ এই পৰ্যায়ত চৰাইদেউ, ধেমাজি, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, তিনিচুকীয়া, শোণিতপুৰ, পশ্চিম কাৰ্বি আংলং, কামৰূপ মহানগৰ, ধুবুৰী, চিৰাং, তামুলপুৰ আৰু বাক্সা জিলাৰ বিভিন্ন বিদ্যালয় সামৰি লোৱা হয়। এই পৰ্যায়ত ৰাজ্যৰ ১৫ হাজাৰ ৬৫০ খন বিদ্যালয়ত ১৩ লাখ ৮৪ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক আৰু আনুসাংগিক মূল্যায়ন কৰা হয়। গুণোৎসৱত চৰকাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয়সমূহৰ উপৰি চাহ বাগিচা আদৰ্শ বিদ্যালয়, কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, নেতাজী সুভাষ চন্দ্ৰ বসু আদৰ্শ বিদ্যালয় আৰু চাহ বাগিচাৰ মালিকানাধীন আন বিদ্যালয়সমূহৰ শৈক্ষিক মূল্যায়ন হয়।

অহা ৪ৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ ৰাজ্যৰ ১০ খন জিলা ক্ৰমে বিশ্বনাথ, বঙাইগাঁও, কাছাৰ, দৰং, ডিব্ৰুগড়, ডিমা-হাচাও, গোৱালপাৰা, মাজুলী, মৰিগাঁও আৰু নলবাৰীক সামৰি তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি টকিঅ'ত জাপানৰ ১৬০ গৰাকীৰো অধিক বিশিষ্ট ব্যৱসায়ীক সাক্ষাৎ কৰি বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ আমন্ত্ৰণ জনায়। সাক্ষাৎকালত অসমৰ অৰ্থনৈতিক সাফল্য আৰু ব্যৱসায়িক সূচলতাৰ বিষয়ে উল্লেখ কৰি ড° শৰ্মাই ভাৰত আৰু জাপানৰ মাজৰ অৰ্থনৈতিক সম্পৰ্কক নতুন শিখৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত অসমৰ বৰ্ধিত ভূমিকাৰ ওপৰত আলোকপাত কৰে। তিনিদিনীয়া দক্ষিণ কোৰিয়া ভ্ৰমণসূচী সামৰি জাপানত উপস্থিত হোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে কালি এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বিস্তৃত প্ৰসাৰ আৰু এই পদক্ষেপত বহিঃৰাষ্ট্ৰৰ পৰা সহযোগিতা লাভৰ উদ্দেশ্যে জাপানৰ অৰ্থনীতি, বাণিজ্য আৰু উদ্যোগমন্ত্ৰী কোগা য়ুইচিৰোক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে জাপানী প্ৰতিষ্ঠানৰ দ্বাৰা ব্যৱসায়িক উদ্যান স্থাপনৰ বাবে অসমৰ প্ৰস্তুতি সম্পৰ্কত আলোচনা কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই জাপান চৰকাৰৰ কাৰিকৰী শিক্ষানবীছ প্ৰশিক্ষণ আৰু নিৰ্দিষ্ট দক্ষতা কৰ্মী কাৰ্যসূচীৰ বাবে পৰীক্ষা কেন্দ্ৰ স্থাপনৰ বিষয়ে বিবেচনা কৰিবলৈ অনুৰোধ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা ৰোড শ্ব'ত অংশ লৈ দেশখনৰ আগশাৰীৰ উদ্যোগ আৰু ব্যৱসায় জগতৰ কাণ্ডাৰীসকলৰ সৈতে মত বিনিময় কৰি অসমৰ আকৰ্ষণীয় অৰ্থনৈতিক বিকাশ আৰু ব্যৱসায়ৰ সূচলতা সন্দৰ্ভতো আলোকপাত কৰে। তেওঁ ভাৰত আৰু জাপানৰ মাজত শক্তিশালী অৰ্থনৈতিক সম্পৰ্কক অধিক সুদৃঢ় কৰাৰ ক্ষেত্ৰত অসমৰ অৰ্থনৈতিক বিকাশ আৰু ব্যৱসায়িক সূচলতাৰ বিষয়েও ব্যাখ্যা আগবঢ়ায়। উদ্যোগপতি আৰু সাম্ভাৱ্য বিনিয়োগকাৰীসকলৰ দৃষ্টি আকৰ্ষণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ছিংগল উইণ্ড' মেকানিজম্ আৰু ৩ মিলিয়ন মাৰ্কিন ডলাৰৰ উৎপাদন সংযোজিত ব্যৱস্থাই অসমত বিনিয়োগৰ সুযোগ আৰু সুবিধাৰ ক্ষেত্ৰত এক পৰিৱেশ নিৰ্মাণ কৰি তুলিছে বুলি কয়। উল্লেখযোগ্য যে ড০ শৰ্মাই বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পূৰ্বে জাপানৰ ইডোগ'ৱাত থকা মহামানৱ মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জাপানত উপস্থিত হোৱাৰ সময়ত ৰাষ্ট্ৰখনত থকা প্ৰৱাসী অসমীয়াসকলে মুখ্যমন্ত্ৰীগৰাকীক আদৰণি জনায় আৰু থলুৱা পিঠা-পনাৰে আপ্যায়ন কৰে। ভাৰত-জাপান সম্পৰ্কত অসমৰ বিশেষ ভূমিকাক গুৰুত্ব প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ২০১৪ চনৰ তুলনাত অসমে অহা বছৰৰ ভিতৰত ইয়াৰ অৰ্থনীতি তিনিগুণ বৃদ্ধি কৰিবলৈ আগবাঢ়িছে।

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ পূৰ্বে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু কালি হায়দৰাবাদত B2G বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকৰ অন্তত মন্ত্ৰীগৰাকীয়ে ভিৰিন্সি হাস্পতাল, এপ'ল' হাস্পতাল, মেটা সৌৰ সেৱা, গীতাঞ্জলি দেৱী ফাইণ্ডেচন আৰু, জি ভি আৰ ফ্লিমচিটী, ডি পি ৱৰ্ল্ডৰ পৰা বিভিন্ন প্ৰকল্পৰ বাবে অভিপ্ৰায় পত্ৰ লাভ কৰা বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে এই প্ৰকল্পসমূহৰ পৰিকল্পনা বাস্তৱায়িত হ'লে ৰাজ্যত ৫ হাজাৰ কোটিৰো অধিক টকাৰ বিনিয়োগ হ'ব।

০০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহা কুম্ভ মেলা ভাগৱত পাঠৰ ধ্বনিৰে মুখৰ হৈ পৰিছে। কুম্ভ মেলা স্থলীৰ ৭ নম্বৰ খণ্ডত স্থাপন কৰা প্ৰাগজ্যোতিষপুৰ ক্ষেত্ৰত ৰাজ্যখনৰ আধ্যাত্মিক সংস্কৃতি আৰু পৰম্পৰাক উপস্থাপনৰ প্ৰয়াসৰ অংশ হিচাপে প্ৰতিষ্ঠা কৰা নামঘৰত কালিৰেপৰা সাতদিনীয়াকৈ অখণ্ড ভাগৱত পাঠ আৰম্ভ হৈছে। ২৭ জানুৱাৰীলৈ পাঠ অব্যাহত অব্যাহত থাকিব। ২৭ জানুৱাৰীৰ পৰা ৰামবিজয় অংকীয়া ভাওনা প্ৰদৰ্শনকে ধৰি সত্ৰ সংস্কৃতিৰ বিভিন্ন কাৰ্যসূচী প্ৰদৰ্শন কৰা হ'ব। কিছুদিনৰ ভিতৰত আউনীআটী, দক্ষিণপাট, কমলাবাৰী, গড়মূৰ আৰু ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰসকলৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ ১২৮ গৰাকী আধ্যাত্মিক গুৰু প্ৰাগজ্যোতিষপুৰ ক্ষেত্ৰলৈ আহিব। প্ৰাগজ্যোতিষপুৰ ক্ষেত্ৰত নামঘৰৰ প্ৰতিষ্ঠাৰ উপৰি মহাপুৰুষ শংকৰদেৱৰ এটা সুবিশাল প্ৰতিমূৰ্তিও নিৰ্মাণ কৰা হৈছে। ইয়াৰ লগতে উত্তৰ কমলাবাৰী

সত্ৰই মুখাশিল্পৰ এখন প্ৰদৰ্শনীৰ ব্যৱস্থা কৰিছে। একেদৰে প্ৰজ্ঞা ফাউণ্ডেচন নামৰ এটা সংস্থাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আধ্যাত্মিক সংস্কৃতি, কৃষ্টি-সংস্কৃতি আৰু বৰেণ্য ব্যক্তি সম্পৰ্কীয় এখন প্ৰদৰ্শনীৰ আয়োজন কৰিছে। এই প্ৰদৰ্শনীত মহাপুৰুষ শংকৰদেৱ, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা, অম্বিকাগিৰী ৰায়চৌধুৰী, কমলাকান্ত ভট্টাচাৰ্য, ভূপেন হাজৰিকা আদিৰ ছবি, উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জাতি জনগোষ্ঠীৰ অংগবস্ত্ৰ, উত্তৰ-পূৰ্বাঞ্চলৰ স্বাধীনতা সংগ্ৰামীসকলৰ ছবি তথা বিৱৰণ, সনাতন ধৰ্মত বৈষ্ণৱ পৰম্পৰা, কীৰ্তন ঘোষা, নামঘোষাৰ চমু পৰিচিতি, প্ৰাচীন কামৰূপৰ ঐতিহাসিক বীৰগাঁথাৰ সচিত্ৰ বৰ্ণনা সন্নিবিষ্ট কৰা হৈছে। কুম্ভমেলাত কামাখ্যা মন্দিৰৰ এটা আৰ্হিও নিৰ্মাণ কৰি থকা হৈছে আৰু দুই-এদিনৰ ভিতৰত এই আৰ্হি সম্পূৰ্ণ হৈ উঠিব। নামঘৰ প্ৰতিষ্ঠাৰ তদাৰক কৰা সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীয়ে এই সন্দৰ্ভত এইদৰে কয় ------ **বাইট**

ইপিনে, মহাকুম্ভমেলাৰ যমুনা মঞ্চত কালি বিনীতা দেৱীৰ পৰিচালনাত ৰাৱণ বধ নামৰ নাটকখন মঞ্চস্থ কৰা হয়। কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনৰ সাংস্কৃতিক আৰু গৱেষণা কেন্দ্ৰৰ সহযোগত এই পুতলা নাটখন পৰিৱেশন কৰা হয়।

০০০০০০

এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জাপানৰ ৰাজধানী চহৰ টকিঅ' উদ্যোগপতিক সাক্ষাতৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় কেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মহাকুম্ভ মেলাত অসমৰ আধ্যাত্মিক সংস্কৃতি, পৰম্পৰাক উপস্থাপনৰ এটা বাতৰি **দৈনিক অসম** কাকতে ভাগৱত পাঠেৰে মুখৰ প্ৰয়াগৰাজৰ গংগাৰ তীৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

জীৱনদায়িনী ঔষধৰ পৰা সাধাৰণ ঔষধলৈ প্ৰতিবিধ দৰৱৰ দাম বৃদ্ধিয়ে সৰ্বসাধাৰণ জনতাক এতিয়া যেন কোঙা কৰি পেলাইছে। এই বাতৰিটো **আমাৰ অসম** কাকতে বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অসমৰ চাহ বাগিচা এলেকাত স্বাস্থ্যসেৱা উন্নত কৰা লক্ষ্যৰে ৩৫৪ খন চাহ বাগিচা চিকিৎসালয় উন্নীতকৰণৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ এটা বাতৰি **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

নেতাজী সুভাষ চন্দ্ৰ বসুৰ আজি জন্মদিন। নেতাজীৰ ১২৮ সংখ্যক জন্মদিন পৰাক্ৰম দিৱস হিচাপে পালন কিৰব দেশবাসীয়ে এই বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে আজি পৰাক্ৰম দিৱস নেতাজীৰ সাহস সততাই আমাক অনুপ্ৰেৰণা যোগাই আহিছে শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

HMPV-কলৈ দেশজুৰি সৃষ্টি হৈছে শংকা আৰু চিন্তা। গুৱাহাটীত দ্বিতীয়জন HMPV আক্ৰান্ত চিনাক্ত। স্বাস্থ্য বিভাগ সম্পূৰ্ণ সাজু বুলি বিভাগীয় মন্ত্ৰী আশোক সিংহলৰ ঘোষণাৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অযোধ্যাত ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ এবছৰ পূৰ্ণ, বশিষ্ঠত এক লাখ ১১ হাজাৰ ১১১ গচি বন্তি প্ৰজ্বলন শিৰোনামেৰে এটা বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

প্ৰাক্তন সঞ্চালক কবিতা ডেকাৰ গৃহত তদাৰকী শাখাৰ বৃহৎ অভিযান। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে ১২টা বেংক একাউণ্টসহ পৃষ্ঠাত স্থান দিছে।

সাহিত্য সভাৰ পাঠশালা অধিৱেশনত বাণিজ্য মেলাৰ পৰিৱৰ্তে বিজ্ঞান মেলাৰ আয়োজন। ৩১ জানুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া সাহিত্য সভাৰ এটা বাতৰি দৈনিক জনম ভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

oooooo

কলকাতাৰ ইডেন গাৰ্ডেনত কালি অনুষ্ঠিত পাঁচখনীয়া টী-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে ইংলেণ্ডক ৭ উইকেটত পৰাস্ত কৰে। ইংলেণ্ডে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অ'ভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৩২ ৰান সংগ্ৰহ কৰে। ইংলেণ্ডৰ হৈ অধিনায়ক জ'ছ্ বাটলাৰে ৪৪টা বলত সৰ্বাধিক ৬৮ ৰান কৰে। ভাৰতৰ হৈ বৰুণ চক্ৰৱৰ্তীয়ে ৩টা উইকেট দখল কৰে। অৰ্শদীপ সিং, হাৰ্ডিক পাণ্ডিয়া আৰু অক্ষৰ পেটেলে দুটাকৈ উইকেট লাভ কৰে।

প্ৰত্যুত্তৰত ভাৰতে ১৩৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১২ অ'ভাৰ আৰু ৫টা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ অভিষেক শৰ্মাই মাত্ৰ ৩৪টা বলত ৭৯ ৰান কৰে। সঞ্জু ছেমচনে ২৬ ৰানৰ বৰঙণি আগবঢ়ায় আৰু তিলক বাৰ্মাই ১৯ ৰান কৰি আউট নোহোৱাকৈ থাকে।

শৃংখলাৰ দ্বিতীয়খন খেল পৰহিলৈ চেন্নাইৰ এম এ চিদম্বৰম ষ্টেডিয়ামত খেলোৱা হ'ব।

oooooo

বতৰৰ বতৰা- ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে ঘন কুঁৱলী পৰিব পাৰে বুলি আগলি বতৰা দিছে। বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৪ দশমিক ৮ ডিগ্ৰী ছেলছিয়াছ।

oooooo

সমাপ্ত